# অসমীয়া জাতি গঠন বা অসমীয়া সমাজ গঠনত প্ৰজাতীয় উপাদান (১)

অসমৰ প্ৰাচীন ঐতিহ্য বৈচিত্ৰ্যময়ৰে উজ্জ্বল। অসমীয়া জাতিৰ প্ৰাগজ্যোতিষপুৰ কালৰ পৰা মধ্যযুগলৈকে ইয়াত চৈনিক, আৰ্য্য সমাজৰ আৰু সামাজিক ইতিহাস আছে বহুদিন। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ আগলৈকে অসম নামৰ কোনো ৰাজ্য নাছিল। যুগে যুগে এই অঞ্চলটো বিভিন্ন নামেৰে পৰিচিত হৈ আহিছে। অতি প্ৰাচীন কালৰ পৰা এই অঞ্চলটো জনবসতিৰে পূৰ্ণ।

প্ৰাচীন কালত এই অঞ্চলটোৰ নাম আছিল প্ৰাগ্‌জ্যোতিষপুৰ। পিছলৈ ই কামৰূপ নামেৰে পৰিচিত হৈছিল। খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ পৰা প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰ বা কামৰূপ ৰাজ্যই অসম নাম পালে আৰু তেতিয়াৰ পৰাই ইয়াৰ বাসিন্দা সকলে অসমীয়া নামেৰে (অসমীয়া জাতি) পৰিচিত হ'ল। বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত এই বাসিন্দাসকলেই প্ৰথমে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। এই বৃহত্তৰ অসমীয়া জাতি গঠন আৰু অসমীয়া সমাজ আৰু সংস্কৃতি পৰিবৰ্ধনত প্ৰাচীন নৃগোষ্ঠীয় আৰু জনগোষ্ঠীয় প্ৰজাতিসকলৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ।

ভাৰতবৰ্ষত বসতি কৰা অধিবাসীসকলৰ বংশধৰ সকল প্ৰধানকৈ ছটা বৃহৎ নৃগোষ্ঠীৰ অন্তৰ্গত। সেই প্ৰধান নৃ-গোষ্ঠী কেইটা হ'ল —

BA-MAJOR
3rd Sem.

১। নেগ্ৰিটো
২। প্ৰট' অষ্ট্ৰেলয়ড
৩। মংগোলীয় বা মংগলয়ড
৪। ভূমধ্য সাগৰীয়
৫। পশ্চিমীয়া প্ৰশস্ত মস্তকী
৬। নৰ্ডিক।

কোনো কোনো পণ্ডিতৰ মতে অসমত নিগ্ৰিটো, প্ৰট' অষ্ট্ৰলয়ড, মংগলয়ড, ভূমধ্য-সাগৰীয় (দ্ৰাবিড়ীয়) আৰু নৰ্ডিক গোষ্ঠীৰ বংশধৰ সকলে বসবাস কৰিছিল।

অসমৰ নগা জনজাতিৰ লোকসকল নিগ্ৰিটো জাতিৰ বুলি পণ্ডিতসকলে ক'ব খোজে। প্ৰট' অষ্ট্ৰলয়ডৰ অন্তৰ্ভুক্ত কোল-মুণ্ডা, চাওতাল আদি; অসমৰ খাচী আৰু জয়ন্তীয়া লোকসকলৰ উদ্ভৱ হৈছে। এওঁলোকে অষ্ট্ৰ' এছীয় ভাষা কয়।

অসমৰ প্ৰাচীন অধিবাসী সকলৰ বিষয়ে

আষ্ট্ৰিক সকলৰ পিছতে মঙ্গোলয়ড বা মংগোলীয় নৃগোষ্ঠীৰ লোকসকল চীনদেশৰ কাষৰীয়া অঞ্চলৰ পৰা অসমলৈ প্ৰব্ৰজিত হৈছিল। তেওঁলোকে অতি প্ৰাচীন কালৰ পৰা প্ৰাগজ্যোতিষপুৰ-কামৰূপত বসবাস কৰিছে। তেওঁলোক কিৰাত নামেৰেও পৰিচিত। মংগোলীয় বা কিৰাত নৃগোষ্ঠীৰ ~~লোকসকল~~ লোকসকলক চীন-তিব্বতীয় ভাষা পৰিয়ালৰ বুলি কোৱা হয়। এই শাখাৰ লোকসকল হ'ল — বড়ো-কছাৰী, মেচ, ৰাভা, ~~তিৱা~~ তিৱা বা লালুং, মিকিৰ বা কাৰবি, সোণোৱাল, ঠেঙাল, দেউৰী, চুতীয়া, মিৰি বা মিচিং, গাৰো, হাজং, বানাই, ডিমাছা, খামতি, তাই ফাকে, খামিয়াং, টুৰুং, নগা, আইতনীয়া, ময়েং, আকা, নিচি, আবৰ, মিছিমি আদি।

ভূমধ্যসাগৰীয় নৃগোষ্ঠীৰ ভিতৰত দ্ৰাবিড়সকল উল্লেখযোগ্য। অসম বা ব্ৰহ্মপুত্ৰ-উপত্যকাত দ্ৰাবিড় সকলৰ অৱস্থিতি স্পষ্ট নহয়। অতি প্ৰাচীন কালৰ পৰা অসমত বসবাস কৰি অহা মৎস্যজীৱীসকল দ্ৰাবিড়ীয় নৃগোষ্ঠী-সম্ভূত বুলি কোনো কোনো পণ্ডিতে ক'ব খোজে। অসমীয়া সংস্কৃতিত দ্ৰাবিড়ীয় সাংস্কৃতিক উপাদানৰ স্থিতি লক্ষ্য কৰিব পাৰি বিশেষকৈ ফুল-দুবৰি, তিল আদিৰে পূজা কৰা প্ৰসংগত। অসমৰ চাহ বাগিচাবোৰত বনুৱা ৰূপে বাস কৰি থকা লোকসকলৰ মাজতো দ্ৰাবিড়ীয় নৃগোষ্ঠী সম্ভূত লোক পোৱা যায়। //

প্ৰাক ঐতিহাসিক যুগত পশ্চিমৰ পথেৰে ভাৰতত প্ৰৱেশ কৰা আৰ্য-ভাষা-ভাষী নৰ্ডিকসকলেই আছিল শেষ স্তৰৰ নৃ-গোষ্ঠী। এওঁলোকে নিজকে আৰ্য্য বুলি পৰিচয় দিছিল। ~~অসম~~ প্ৰাগজ্যোতিষপুৰ বা কামৰূপ ৰাজ্যলৈও আৰ্য্যসকলৰ প্ৰব্ৰজন ঘটিছিল। ব্ৰাহ্মণ, কায়স্থ, কলিতা, বৈশ্য, ক্ষত্ৰিয় আদি লোক আৰ্য্য গোষ্ঠীৰ অন্তৰ্গত।

ওপৰৰ আলোচনাৰ পৰা কব পাৰি যে, প্ৰাচীন প্ৰাগ্‌জ্যোতিষপুৰ বা কামৰূপ বা বৰ্তমানৰ অসম ৰাজ্যৰ বুকুত বৃহত্তৰ অসমীয়া জাতি বা অসমীয়া সমাজ গঠনত পৃথিৱীৰ বৃহৎ ভাষা গোষ্ঠী ইণ্ডো-ইউৰোপীয় ভাষা-গোষ্ঠীৰ উপৰিও বহু-গোষ্ঠীয় জাতি অষ্ট্ৰিক, মংগোলয়ড, দ্ৰাবিড়, আদি জনগোষ্ঠী আৰু জনজাতীয় লোকৰ সমাহাৰত অসমীয়া জাতি ঠন ধৰি উঠাত সহায়ক হৈছিল আৰু এই জাতি-গোষ্ঠী আৰু জনজাতীয় লোকসকলৰ সাংস্কৃতিক উপাদান বোৰৰ সংমিশ্ৰণত অসমীয়া সমাজ-সংস্কৃতিৰ সমাহাৰখনো সমৃদ্ধ হৈ পাৰিছিল।

=

অসমীয়া জাতি গঠন আৰু সমাজ-সংস্কৃতিলৈ অষ্ট্ৰিকসকলৰ ভাষিক আৰু সাংস্কৃতিক বৰঙণি আছে। পুৰণি কালৰ পৰাই গাঁও আৰু গ্ৰাম্য সভ্যতাই অসমত প্ৰাধান্য লাভ কৰি আহিছে। গাঁৱলীয়া সভ্যতাৰ লগত কৃষি-জীৱনৰ বিশেষ সম্পৰ্ক। অসমৰ কৃষি সভ্যতালৈ এই অষ্ট্ৰিক গোষ্ঠীৰ লোকসকলৰ অৱদান আছে। অসমৰ জনজাতীয় লোকসকলৰ ঝুম খেতি অষ্ট্ৰিকসকলৰ পৰা অহা বুলি কোৱা হৈছে। কৃষিৰ প্ৰধান সঁজুলি 'নাঙল' খাছি সকলৰ 'লিংকৰ'ৰ সৈতে এক-। অসমীয়া সমাজত প্ৰচলিত তামোল-পানৰ ব্যৱহাৰ অষ্ট্ৰিকসকলৰ পৰাই আহিছে বুলি কোৱা হৈছে।

অসমীয়া ভাষাৰ শব্দ ভঁৰালৰ বহুতো শব্দ যেনে- জীৱ-জন্তু বিষয়ক শব্দ গাভাৰ, মেকোন, ভুকা (মাছবিধ) কেঁকেটুৰী, জহামাল, হেপা, কুকুৰ নেচীয়া, চেকীয়া-পতীয়া, লতা-মাকৰি, লতা-ফুটুকী, নাহৰ ফুটুকী, বাং কুকুৰ, চিঁয়া, কাম, কপৌ ইত্যাদি।

চিকাৰৰ সঁজুলি বাণ, ধনু, নিচান, কাটলু আদি ইত্যাদি অষ্ট্ৰিক সকলৰ বুলি কোৱা হয়।

অসমীয়া সামাজিক আৰু ধাৰ্মিক জীৱনলৈ অষ্ট্ৰিকসকলৰ অৱদান আছে। গছ-গছনি, পাহাৰ, শিল আদিক পূজা অষ্ট্ৰিকসকলৰ পৰা আহিছে।
এইদৰে দেখা যায় জাতি গঠন প্ৰক্ৰিয়া আৰু অসমীয়া সমাজ-সংস্কৃতি অষ্ট্ৰিকসকলৰ ~~[illegible]~~ উপাদান যথেষ্ট আছে।

//অসমীয়া জাতি-গঠন আৰু সমাজ-সংস্কৃতিলৈ মঙ্গোলয়ড বা মঙ্গোলীয় গোষ্ঠীৰ প্ৰজাতিসকলৰ উপাদান অৰিহণা। তিব্বত-বৰ্মী ভাষা গোষ্ঠীৰ লোকসকলে ঘাইকৈ নদীৰ পাৰত বাস কৰিছিল। অসমৰ প্ৰায় প্ৰখ্যাত নদীসমূহৰ নামে সেই কথাকে সূচায়। তিব্বত-বৰ্মীৰ বড়ো ভাষাৰ পানী বুজোৱা 'দি' শব্দৰে সৈতে অসমৰ নদীৰ নাম হৈছে - দিখৌ, দিচাং, দিহিং, দেসাং ইত্যাদি।

তিব্বত-বৰ্মী সকলৰ সমাজ-ব্যৱস্থা কটকটীয়া আছিল। বংশ-প্ৰীতি আছিল বৰ প্ৰবল। পৰিয়ালত ভালেমান লোক একেটা ঘৰত থকা তেওঁলোকৰ নিয়ম। গাওঁ পাতি বাস কৰাটোও তেওঁলোকৰ বৈশিষ্ট্য আছিল। হাঁহ, কুকুৰা, গাহৰি আদি পুহিছিল আৰু তাৰ মাংস খাইছিল। অসমীয়া জাতিৰ জীৱন-নিৰ্মিতত তিব্বত-বৰ্মী বড়ো, ৰাভা, মিচিং, কাৰ্বি গাৰো আদি প্ৰজাতিৰ এই উপাদান সমূহে গুৰুত্বপূৰ্ণ -হৈ- অৰিহণা যোগাইছে।

বাঁহ সংস্কৃতি এওঁলোকৰ প্ৰধান উপাদান। বাঁহেৰে ঘৰ-দুৱাৰ সজোৱা, খৰাহি-পাচি, বাঁহৰ চুঙাত চিকাৰৰ সঁজুলি, মাছ ধৰা সঁজুলি, বাঁহৰ চুঙাত ভাত ৰান্ধি খোৱা, বাঁহৰ সাৰা সজোৱা বাটী, আৰু ধীচক বেণু ইত্যাদি অসমীয়া জাতি আৰু অসমীয়া সংস্কৃতিলৈ তিব্বত-বৰ্মীৰ দানেই আহিছে।

অসমীয়া সমাজত তিৰোতাৰ যি মৰ্যাদা তাৰ সৰহভাগ তিব্বত-বৰ্মী-ভাষীৰ প্ৰভাৱত সম্ভৱপৰ হৈছে। তেওঁলোকৰ সমাজত মানুহ-তিৰোতাৰ সমান আসন আৰু সকলো ক্ষেত্ৰতে তিৰোতা মানুহৰ সহায়ক -।

অসমীয়া শিল্প আৰু সুকুমাৰ কলাত তিব্বত-বৰ্মী ভাষী লোকসকলৰ সু-স্পষ্ট ছাপ আছে। বিহু নাচকে মুখ্য কৰি অসমৰ বিভিন্ন তিব্বত-বৰ্মী ভাষীৰ মাজত যি নৃত্য-গীত প্ৰচলিত আছে সেই সমূহৰ ভিতৰত বিহু-গীতৰ মূলভাৱ আৰু মুকলিমূৰীয়া